# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 14-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হয়।

পুৱাৰ ভাগত গৰুক মাহ হালধিৰে নোৱাই ধোৱাই উঠাৰ পাছত সন্ধিয়াৰ ভাগত গৰুক নতুন পঘা দিয়া, মাখিয়তি, দীঘলতিৰ জাগ দিয়া আদিকে ধৰি পৰম্পৰাগত ৰীতিৰে গৰুবিহু পালন কৰা হয়। ৰাজ্যৰ কোনো কোনো অংশত আজি কিছু ব্যতিক্ৰমীভাৱে গৰু বিহু পালন কৰা হয়। বাক্সা জিলাৰ পূৱ খাগ্ৰাবাৰী ৰঙালী বিহু সমিতিৰ উদ্যোগত গৰুবিহু উপলক্ষে গৰুক গা ধোৱাওতে ব্যৱহাৰ কৰা লাও, বেঙেনা, হালধী আদিৰে গথা মালা প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালীৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। লখিমপুৰ জিলাত আজি পুৱাৰে পৰা কাকৈ ৰাজগড়বাসী ৰাইজৰ সহযোগত গৰু বিহু উদযাপন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ ডিব্ৰুগড়ৰ লক্ষ্মীনগৰৰ বাসগৃহত অঞ্চলটোৰ একাংশ ৰাইজৰ সৈতে বিহুৰ জলপান গ্ৰহণ কৰে।

ৰাজ্যৰ সত্ৰ সমূহতো আজি গৰু বিহুৰ লগত সংগতি ৰাখি চ'ত-ব'হাগৰ সংক্ৰান্তি পালন কৰা হয়। মাজুলী আৰু বৰপেটাৰ সত্ৰ অনুষ্ঠানসমূহত সূৰ্যৰ দিশ পৰিৱৰ্তন হোৱা এই সংক্ৰান্তিৰ সৈতে সম্পৰ্ক থকা ধৰ্মীয় আৰু লোক পৰম্পৰাসমূহ পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে বিহুৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা বৈশাখী, পহিলা বৈশাখ, মেষাদি, পুতান্দু পিৰাপুকে ধৰি নৱবৰ্ষৰ উৎসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালি বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহুৱে সংস্কৃতি আৰু পৰিৱেশৰ মাজৰ চিৰ বিৰাজমান আন্তঃসম্পৰ্ক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

কাইলৈ পৰম্পৰাগতভাৱে মানুহ বিহু পালন কৰা হ'ব। বিহু উপলক্ষে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। কাইলৈ অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস ল'ব। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা হ'বলগীয়া ১৭খন জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন-টি-এৰ সঞ্চালকৰ সৈতে আজি এখন বৈঠকত মিলিত হয়। অসম আৰক্ষীৰ বিশেষ অনুসন্ধানত ৰাজ্যৰ ব্যক্তিগত পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষাত উত্তীৰ্ণ কেইগৰাকীমান শিক্ষাৰ্থীয়ে অস্বাভাৱিকভাৱে বেছি নম্বৰ লাভ কৰাক লৈ এই বৈঠকৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে জাৰি কৰা নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়মৰ ক্ষেত্ৰত আপোচ নকৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ড° শৰ্মাই অহা ৪ মে'ত হ'বলগীয়া এই পৰীক্ষা অত্যন্ত স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰি দেশৰ বাবে দৃষ্টান্ত দাঙি ধৰিবলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষাৰ সকলো কেন্দ্ৰ কেৱল চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত মহাবিদ্যালয়ত হ'ব। পৰীক্ষাৰ সামগ্ৰী সৰবৰাহ, বিতৰণ আৰু জমা ৰখাৰ সৈতে সম্পৰ্কিত বিষয়সমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহত প্ৰাৰ্থীসকলৰ আধাৰ কাৰ্ড আধাৰিত বায়োমেট্ৰিক প্ৰমাণিকৰণ ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ooooo

আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাঁতোৰবিদ দক্ষিণ আফ্ৰিকাৰ কে'প টাউনৰ পৰা ৰবেন দ্বীপলৈ সাতুৰি ইপাৰ সিপাৰ হোৱা প্ৰথমগৰাকী ভাৰতীয় হোৱাৰ সন্মান অৰ্জন কৰিছে। অসমৰ সুসন্তান এলভিছে আজি ৰঙালী বিহুৰ দিনাই এই বিৰল কৃতিত্ব অৰ্জন কৰাৰ পাছত ত্ৰিৰংগা পতাকাৰ লগতে অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচাখনো প্ৰদৰ্শন কৰি আন্তৰ্জাতিক মহলত অসমৰ নাম উজ্বলাই।

ooooo

গুৱাহাটী মহানগৰীত পৰিবহন আইন উলংঘা কৰি চলাচল কৰা ডাম্পাৰসমূহৰ বিৰুদ্ধে মহানগৰ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীখনত পথ সুৰক্ষা নিশ্চিত কৰাৰ লগতে যান-বাহন আইন কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ আইন উলংঘাকাৰী চালকসকলৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে তালাচী অভিযান তীব্ৰ কৰি তোলা হৈছে। আৰক্ষীয়ে কালি পৰ্যন্ত কমেও ৯৪ খন ডাম্পাৰ নিৰীক্ষণ কৰাৰ লগতে ১৭টা আইন উলংঘনকাৰী কাৰ্য চিনাক্ত কৰে। আৰক্ষীয়ে এই অভিযানৰ পাছত এজাহাৰ দাখিল নকৰাকৈয়ে ছটা গোচৰ আদালতলৈ প্ৰেৰণ কৰিছে। তদুপৰি ছখন ই-চালান জাৰি কৰা হৈছে, তিনিখন বাহন জব্দ কৰা হৈছে আৰু দুজন ডাম্পাৰ চালকৰ অনুজ্ঞা বাতিল কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে এই অভিযান অব্যাহত ৰাখিব আৰু আইন উলংঘাকাৰী ডাম্পাৰ চালকক ৰেহাই দিয়া নহ'ব বুলি স্পষ্ট কৰি দিছে।

ooooo

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে -চেন্নাই চুপাৰ কিংছক জয়ৰ বাবে ১৬৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। চেন্নাই ছুপাৰ কিংছে টছত জিকি লক্ষ্ণৌ চুপাৰ জায়েণ্টছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। লক্ষ্ণৌ চুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৬৬ ৰাণ সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ